# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-02-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

::::::::::::::::::::::::::::::::

১। অহা ১৪ এপ্ৰিলৰ পৰা চৰকাৰী অধিসূচনা- নিৰ্দেশনাসমূহ অসমীয়া ভাষাতো প্ৰকাশ কৰাটো বাধত্যামূলক। মন্ত্ৰীসভাৰ বৈঠকত আন কেইবাটাও সিদ্ধান্ত গ্ৰহণ।

২। অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত চৰকাৰ আৰু আছুৰ আলোচনা।

৩। অসম লোকসেৱা আয়োগৰ অধীনৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ ৫৬৪ গৰাকী প্ৰাৰ্থীক বিভিন্ন বিভাগৰ নিযুক্তি পত্ৰ প্ৰদান।

৪। কাইলৈৰ পৰা অসম বিধানসভাৰ বাজেট অধিৱেশন। কোকৰাঝাৰত বাজেট অধিৱেশনৰ প্ৰথম দিনা বিশেষ কাৰ্যসূচী। ***আৰু***

৫। ২২ মাৰ্চৰ পৰা আই পি এল টি-২০ প্ৰতিযোগিতা। গুৱাহাটীত ২৬ আৰু ৩০ মাৰ্চত দুখন খেলৰ আয়োজন।

ooooo

অহা ১৪ এপ্ৰিলৰ পৰা চৰকাৰী অধিসূচনা আৰু নিৰ্দেশনাসমূহ ইংৰাজীৰ লগতে অসমীয়া ভাষাত প্ৰকাশ কৰা হ'ব। বৰাক উপত্যকাত এনে কাম-কাজৰ ক্ষেত্ৰত অসমীয়া আৰু ইংৰাজীৰ লগতে বাংলা, আৰু বিটিআৰত অসমীয়া আৰু ইংৰাজীৰ উপৰি বড়ো ভাষা ব্যৱহাৰ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি দিশপুৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত আজি এই বিষয়ে সিদ্ধান্ত লোৱা হয়। উল্লেখযোগ্য যে আজি ৰাজ্য চৰকাৰে অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৃন্দৰ সৈতে কৰা আলোচনা অনুসৰি এই দফা ৰূপায়ণৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা নেতৃত্বাধীন সমিতিৰ প্ৰতিবেদনৰ ৰাজ্য চৰকাৰে ৰূপায়ণ কৰিবলৈ সমৰ্থ ৫২ টা পৰামৰ্শৰ ভিতৰত ৩৮ টা ৰূপায়ণ প্ৰক্ৰিয়াত দুয়োপক্ষই সহমতত উপনীত হয়। এই অনুসৰি ৰাজ্যখনৰ পুৰণি আইন, বিধিসমূহ অসমীয়ালৈ ভাষান্তৰৰ বাবে সমিতিখনে প্ৰতিবেদনত উল্লেখ কৰা পৰামৰ্শ অনুসৰি গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ক এই ভাষান্তৰৰ দায়িত্ব অৰ্পন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে অসমীয়া ভাষা প্ৰয়োগৰ এটা সুকীয়া সঞ্চালকালয় গঠনৰ কথাও উল্লেখ কৰে। এই বৈঠকতে চৰ অঞ্চলৰ ভূমিসমূহৰ জৰীপ কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। মন্ত্ৰীসভাৰ বৈঠকত তিৱা স্বায়ত্ত শাসিত পৰিষদৰ সদস্যৰ সংখ্যা ৩৬ ৰ পৰা ৪২ লৈ বৃদ্ধিৰ সিদ্ধান্ত লোৱা হয়। আয়ুৰ্বেদিক চিকিৎসক হিচাপে নতুনকৈ নিযুক্তি লাভ কৰি চৰকাৰী চিকিৎসালয়ত কৰ্মৰত চিকিৎসকসকলক তিনিবাৰকৈ আগতীয়া দৰমহা বৃদ্ধি কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজ্যখনত সেউজ শক্তি উৎপাদনৰ বাবে সংহত নীতি ৰূপায়ণতো আজি

মন্ত্ৰীসভাই অনুমোদন জনাইছে। ৰহা আৰু জাগীৰোডৰ মাজত ৫৭০ বিঘা ভূমি সামৰি এখন বহুমুখী উদ্যোগিক পাম নিৰ্মাণৰ বাবে আজি মন্ত্ৰীসভাৰ বৈঠকত অনুমোদন জনাইছে। ভাৰত বিৰোধী কাৰ্যকলাপত জড়িত পাকিস্তানৰ আলী শ্বেখ নামৰ ব্যক্তিজনৰ সৈতে সাংসদ গৌৰৱ গগৈৰ পত্নী এলিজাবেথ গগৈয়ে যোগাযোগ ৰক্ষা কৰা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত আজি মন্ত্ৰীসভাত আলোচনাৰ পাছত ৰাজ্যৰ লগতে দেশৰ আইন শৃংখলা পৰিস্থিতিলৈ লক্ষ্য ৰাখি আলী শ্বেখ নামৰ লোকজনৰ বিৰুদ্ধে ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধানৰ অধীনত তদন্তৰ বাবে মন্ত্ৰীসভাই অনুমোদন জনায়।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি লোকসেৱা ভৱনত অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত গঠিত উচ্চ পৰ্যায়ৰ সমিতিৰ পৰামৰ্শ সন্দৰ্ভত ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত এলানি বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাজ্য চৰকাৰৰ অধীনত থকা পৰামৰ্শসমূহৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰা হয়। পৰামৰ্শসমূহত ভূমিৰ অধিকাৰ, সাংস্কৃতিক সংৰক্ষণ আৰু ভাষিক সুৰক্ষাৰ দিশত গুৰুত্ব প্ৰদান কৰে। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে যৌথভাৱে ৰূপায়ণ কৰিবলগীয়া আন ১২টা পৰামৰ্শ সন্দৰ্ভত মাৰ্চ মাহৰ দ্বিতীয় সপ্তাহত আন এলানি বৈঠক অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। উল্লেখযোগ্য যে বৈঠকৰ পাছতে আছুৰ সভাপতি উৎপল শৰ্মাই কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত সদৰি কৰে। সভাপতি শৰ্মাই কয়, যে মুখ্যমন্ত্ৰীৰে অনুষ্ঠিত হোৱা বৈঠকত ৰাজ্যৰ কৃষি ভূমিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হৈছে। এই সিদ্ধান্ত অনুসৰি বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ পৰামৰ্শৱলী অনুসৰি জৰীপৰ জড়িয়তে ৰাজ্যৰ মূল কৃষিভূমি নিৰ্ণয় কৰা হ'ব। কৃষিৰ বাবে অনুপযোগী ভূমিৰো জৰীপ চলোৱা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। সভাপতি শৰ্মাই পুনৰ কয়, যে বৈঠকৰ সিদ্ধান্ত অনুসৰি সত্ৰ, নামঘৰকে ধৰি খিলঞ্জীয়া যিসমূহ ধৰ্মীয় উপাসনাস্থলী আছে, সেইসমূহক বিধিগত সুৰক্ষা প্ৰদান কৰা হ'ব। বিশেষকৈ সত্ৰসমূহৰ উত্তৰণ, বিকাশ বা যিকোনো বাদ-বিবাদ নিষ্পত্তিৰ বাবে এখন স্বতন্ত্ৰ শক্তিশালী ব'ৰ্ড গঠন কৰা হ'ব। এই ব'ৰ্ডৰ আইনগত স্বীকৃতি থাকিব বুলি উল্লেখ কৰি শৰ্মাই লগতে কয়, যে ৩ মাহৰ ভিতৰতে পাঁচজনীয়া ব'ৰ্ড গঠনৰ বাবে বিধি প্ৰস্তুত কৰা হ'ব। ভূমি সম্পৰ্কীয় সকলোবোৰ বিষয়ে কাৰ্যকৰী কৰাৰ বাবে ২ হাজাৰ অতিৰিক্ত পদ সৃষ্টিৰ সিদ্ধান্ত লোৱাৰ কথাও সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে। বৈঠকত প্ৰতিখন জিলাতে একো একোটা বহুমুখী সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। বৈঠকত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাবে ১০০ কোটি টকাৰ পুঁজি আৱণ্টনৰ সিদ্ধান্ত লোৱাৰ কথাও সভাপতি শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে জ্যোতি চিত্ৰবনৰ বাবেও সুকীয়া প্ৰকল্প গ্ৰহণ কৰা হ'ব। বৈঠকত আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যও উপস্থিত থাকে।

ooooo

ৰাজ্য চৰকাৰে আজি অসম লোকসেৱা আয়োগৰ অধীনৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ ৫৬৪ গৰাকী প্ৰাৰ্থীক বিভিন্ন বিভাগৰ নিযুক্তি পত্ৰ প্ৰদান কৰে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি পত্ৰসমূহ প্ৰদান কৰে। নিযুক্তি পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰতিগৰাকী নিযুক্তিপ্ৰাপ্তক বিকশিত অসম গঢ়ি তোলাৰ ক্ষেত্ৰত অৰিহণা আগবঢ়াবলৈ আহ্বান জনায়। এইপৰ্যন্ত ১ লাখ ৩ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে নিকা আৰু স্বচ্ছভাৱে নিযুক্তি লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট (চি এম)**

আজিৰ এই অনুষ্ঠানত অৰ্জুন সন্মান লাভ কৰা ধনুৰ্বিদ জয়ন্ত তালুকদাৰক অসম আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষকৰ পদত নিযুক্তি প্ৰদান কৰা হয়। অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগত সৰ্বাধিক ২৬২ গৰাকী আৰু বিত্ত বিভাগত ৯৬ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰা হয়।

ooooo

অসম বিধানসভাৰ বাজেট অধিৱেশনৰ কাইলৈ প্ৰথম দিনৰ কাৰ্যসূচী কোকৰাঝাৰত অনুষ্ঠিত হ'ব। বিটিচিৰ বিধায়িনী ভৱনত ৰাজ্যপালৰ অভিভাষণেৰে অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী আৰম্ভ হ'ব। বিধানসভাৰ বিশেষ অধিৱেশনৰ বাবে কোকৰাঝাৰ নগৰ সজাই পৰাই তোলা হৈছে। এই অধিৱেশনত ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চলসমূহৰ প্ৰশাসনীয় ব্যৱস্থাৰ উন্নয়নকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ দিশ উত্থাপন কৰা হ'ব। উল্লেখযোগ্য যে বাজেট অধিৱেশনৰ বাকী কেইদিনৰ কাৰ্যসূচী গুৱাহাটীৰ অসম বিধানসভা ভৱনত অনুষ্ঠিত হ'ব।

ooooo

কোকৰাঝাৰ জিলাৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ত আজি অনুষ্ঠিত বিশ্ববিদ্যালয়খনৰ তৃতীয় সমাৱৰ্তন অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰে। ৰাজ্যপালগৰাকীয়ে এই অনুষ্ঠানত স্নাতক, স্নাতকোত্তৰ আৰু পি এইচ ডি ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰীসকলক ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰে। এই অনুষ্ঠানত ৩ হাজাৰ ৫২৭ গৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰমান পত্ৰ প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত ৫০ গৰাকী পি এইচ ডি আৰু ৩০ গৰাকী স্বৰ্ণ পদক লাভ কৰা ছাত্ৰ-ছাত্ৰী আছে। অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যপালগৰাকীয়ে প্ৰমাণপত্ৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰি বিদ্যায়তনিক সীমাৰ উৰ্ধলৈ গৈ মনৰ দিগন্ত প্ৰসাৰ কৰাৰ বাবে শিক্ষা আহৰণ কৰিবলৈ আহ্বান জনায়। তেওঁ নতুন শিক্ষানীতি অনুসৰি ভাৰতকেন্দ্ৰীক শিক্ষা ব্যৱস্থাৰ ৰূপায়ণৰ দ্বাৰা দেশক বহনক্ষম ৰাষ্ট্ৰ হিচাপে ৰূপান্তৰ ঘটোৱাত বৰঙণি যোগাবলৈ আহ্বান জনায়। এই অনুষ্ঠানত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য, অধ্যাপক বাবুলাল আহুজাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

কেন্দ্ৰীয় মহিলা আৰু শিশু কল্যাণ দপ্তৰৰ মন্ত্ৰী অন্নপূৰ্ণা দেৱী যাদৱে আজি ডিব্ৰুগড়ত মহিলা আৰু শিশু কল্যাণ সম্পৰ্কীয় বিভিন্ন আঁচনিসমূহৰ বিষয়ে পৰ্যালোচনা কৰে। ডিব্ৰুগড় আৰ্ৱত ভৱনত অনুষ্ঠিত সংবাদমেলত মন্ত্ৰী শ্ৰীমতী যাদৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিষয়ে উল্লেখ কৰে। মহিলা আৰু শিশুৰ কল্যাণৰ বাবে সমাজৰ সক্ৰিয় অংশগ্ৰহণৰ প্ৰয়োজন আছে বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ মহিলা সশক্তিকৰণ, পুষ্টি, শৌচাগাৰ স্থাপন আৰু আৰ্থ-সামাজিক বিকাশ সম্পৰ্কীয় চৰকাৰৰ বিভিন্ন পদক্ষেপৰ বিষয়ে আলোকপাত কৰে। অসমত ডাবল ইঞ্জিন চৰকাৰৰ নেতৃত্বত বাল্য বিবাহ প্ৰতিৰোধ, মাতৃ আৰু স্বাস্থ্যসেৱা উন্নয়ন আৰু উদ্যোগ সৃষ্টিৰ ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ তেওঁ প্ৰশংসা কৰে। মহিলা আৰু শিশুৰ শিক্ষাৰ অধিকাৰ, স্বাস্থ্যসেৱা আৰু অৰ্থনৈতিক সুযোগ নিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলি তেওঁ প্ৰকাশ কৰে।

**বাইট (অন্নপূৰ্ণা দেৱী যাদৱ)**

ooooo

কাৰ্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছ’ত আজিৰে পৰা ৫১ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। কাৰ্বি সাংস্কৃতিক সমাজৰ উদ্যোগত পাঁচদিনীয়া কাৰ্যসূচীৰে আয়োজিত কাৰ্বি যুৱ মহোৎসৱ কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে উদ্বোধন কৰে। উদ্বোধনী ভাষণত শ্ৰীৰংহাঙে কয়, যে ভাষা সাহিত্য আৰু সংস্কৃতি এটা জাতিৰ পৰিচয় দাঙি ধৰে। কাৰ্বি ভাষা সাহিত্য বিকাশৰ ক্ষেত্ৰত ৰাজনীতিক একাষৰীয়া কৰি সকলোকে একেখন মঞ্চত মিলিত হ’বলৈ তেওঁ আহ্বান জনায়। উদ্বোধনী অনুষ্ঠানৰ পাছতে বিভিন্ন মঞ্চত কাৰ্বিসকলৰ পৰম্পৰাগত লোকনৃত্য, গীত-মাত প্ৰতিযোগিতা আয়োজিত হয়। উল্লেখযোগ্য যে উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে কাৰ্বি লোক সংস্কৃতিৰ আদিগুৰু ৰাংচিনা চাৰপ’ক আৰাধনা কৰা হয়। ইয়াৰ পাছতে বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা চাৰি সহস্ৰাধিক কাৰ্বি শিল্পী, ডেকা-গাভৰুৱে অংশগ্ৰহণ কৰে। কাৰ্বি যুৱ মহোৎসৱৰ সন্দৰ্ভত আকাশবাণীৰ কাৰ্বি আংলঙৰ সংবাদদাতা কাংবুৰা ছিংনাৰে এইদৰে কয়–

ভইচ (কাংবুৰা ছিংনাৰ)

00000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত অনাতাঁৰ মাধ্যম সম্পৰ্কত বিভিন্নজনৰ মতামত আগবঢ়াব। অনুষ্ঠানটোৰ পৰিকল্পনা-প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

00000

অসমলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ ক্ষেত্ৰত বিভিন্ন ৰাষ্ট্ৰত অসমৰ আইন শৃংখলা পৰিস্থিতি সন্দৰ্ভত বাহাল থকা ভ্ৰমণজনিত সতৰ্কতা বিধি পুনৰীক্ষণৰ বাবে কেইবাখনো ৰাষ্ট্ৰই ব্যৱস্থা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি এডভাণ্টেজ  আচামৰ দ্বিতীয় সংস্কৰণৰ জৰিয়তে ৰাজ্যখনলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰা সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কেইবাখনো বিদেশী ৰাষ্ট্ৰত বাহাল থকা ভ্ৰমণজনিত পৰামৰ্শ বিধিৰ পৰিপ্ৰেক্ষিতত অসমত বিদেশী বিনিয়োগৰ ক্ষেত্ৰত সমস্যা হোৱা হেতুকে ৰাষ্ট্ৰসমূহক এনেধৰণৰ বিধিসমূহ পুনৰীক্ষণ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত আহ্বান জনোৱা হৈছে। ইতিমধ্যে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত জাপানৰ উচ্চায়ুক্ত আৰু প্ৰধানমন্ত্ৰীৰ সৈতে আলোচনাত মিলিত হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। অষ্ট্ৰেলিয়াৰ উচ্চ আয়োগৰ তৰফৰ পৰাও শীঘ্ৰে অসম আৰক্ষীৰ সৈতে এই সংক্ৰান্তত যোগাযোগ স্থাপন কৰা হ’ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। পৰহিলৈ অষ্ট্ৰেলিয়াৰ এটা শীৰ্ষ পৰ্যায়ৰ দল ৰাজ্যখনলৈ এই সংক্ৰান্তত তথ্য সংগ্ৰহৰ বাবে অহাৰ কথা বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীৰ শেহতীয়া জাপান ভ্ৰমণকালত দেশখনৰ বিদেশ মন্ত্ৰীগৰাকীৰ সৈতে হোৱা মত বিনিময় কালত মন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণবিধি পুনৰীক্ষণৰ আশ্বাস দিছিল বুলি ড° শৰ্মাই উল্লেখ কৰে।

00000

শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে আজি শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সপ্তদশ প্ৰতিষ্ঠা দিৱস উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ইংৰাজী, অসমীয়া  চিকিৎসা বিজ্ঞানৰ আধুনিক অভিধান শীৰ্ষক গ্ৰন্থ উন্মোচন কৰা হয়। এই গ্ৰন্থখনৰ জৰিয়তে চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ্থী, গৱেষক তথা

স্বাস্থ্যসেৱা বিভাগৰ বৃত্তিধাৰীসকল উপকৃত হ'ব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলৰ বাবে থকা সকলো প্ৰকাৰৰ সেৱাৰ উপলব্ধতাৰে এখন ডিজিটেল মঞ্চ মুকলি কৰে। এই মঞ্চৰ জৰিয়তে শিক্ষাৰ্থীসকলে প্ৰশাসনিক ব্যৱস্থা তথা শৈক্ষিক দিশৰ সৈতে জড়িত বিভিন্ন সেৱাৰ সুবিধা সহজে লাভ কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে আজি ঘোষণা কৰা আই পি এলৰ সূচী অনুসৰি অহা ২২ মাৰ্চৰ পৰা এইবাৰৰ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। কলকাতাৰ ইডেন গাৰ্ডেনত হ'বলগীয়া উদ্বোধনী খেলখনত কলকাতা নাইট ৰাইডাৰ্ছ ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ মুখামুখি হ'ব। দেশৰ মুঠ ১০টা স্থানত এইবাৰৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৰাজস্থান ৰয়েলছৰ হোমগ্ৰাউণ্ড গুৱাহাটীত  দুখন খেল অনুষ্ঠিত হ'ব। অহা ২৬ মাৰ্চত গুৱাহাটীত হ'বলগীয়া খেলত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। ৩০ মাৰ্চত গুৱাহাটীত হ'বলগীয়া আনখন খেলত ৰাজস্থান ৰয়েলছে চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে খেলিব। আই পি এলৰ ফাইনেল খেলখন ২৫ মে'ত ইডেন গাৰ্ডেনত অনুষ্ঠিত হ'ব।

০০০০০

চিৰাং জিলাৰ বিজনীৰ বিশিষ্ট সমাজকৰ্মী, ক্ৰীড়া সংগঠক তথা অসম আন্দোলনৰ অগ্ৰণী নেতা ভূপেন দাসৰ যোৱা নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত দাসৰ বয়স আছিল ৬০ বছৰ। যকৃৎ ৰোগত আক্ৰান্ত দাসক কিছুদিন পূৰ্বে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। সদ্য প্ৰয়াত দাসে অসম আন্দোলনৰ অগ্ৰণী নেতা হিচাপে আগভাগ লোৱাৰ উপৰি বিজনী ৰঙালী উদযাপন সমন্বয় সমিতি, অসম নাট্য সন্মিলনৰ বিজনী শাখা, বিভিন্ন শিক্ষানুষ্ঠানৰ লগতে বিজনী জিলা ক্ৰীড়া সন্থাৰ সৈতে জড়িত আছিল। তেওঁ অসম ভলীবল দলৰ অধিনায়ক হিচাপেও দায়িত্ব পালন কৰিছিল। মৃত্যুৰ সময়ত দাসে জ্যেষ্ঠ ভাতৃ তথা ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস, পত্নী, পুত্ৰ, কন্যাৰ লগতে বহু গুণমুগ্ধক এৰি থৈ যায়।  আজি তেওঁৰ নশ্বৰদেহ বিজনীৰ বাসভৱনলৈ অনাৰ পাছত বৰপেটাৰ সাংসদ ফণীভূষণ চৌধুৰী, প্ৰাক্তন বিধায়ক ভূপেন ৰায়, বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়সহ কেইবাটাও দল-সংগঠনে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

০০০০০

সমাপ্ত